**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-SEPTEMBER-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

———————————————————————————————

১। নেপালৰ প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৫০ লৈ বৃদ্ধি।
২। অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন। শিৱসাগৰস্থিত বাসগৃহত খেলুৱৈগৰাকীক সম্বৰ্ধনা।
৩। চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ নৱম অধিৱেশনৰ আজি দ্বিতীয় আৰু অন্তিমখন বৈঠক। আৰু
৪। VB G-RAMG-ৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষত অসমসহ উত্তৰ-পূৰ্বাঞ্চললৈ ছহেজাৰ ২৬৬ কোটি ২৫ লাখ টকাৰ আৱণ্টন।

০০০০০০

নেপালৰ প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৫০ লৈ বৃদ্ধি হৈছে। হিমালয়ৰ কাষৰীয়া অঞ্চলত মাটিৰ তলৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰ আৰু ভোটে কোশী নৈৰ কাষৰীয়া সুৰংগসমূহত আবদ্ধ হৈ থকা লোকসকলক বৰষুণ আৰু বোকাময় পৰিস্থিতিৰ মাজত উদ্ধাৰৰ ক্ষেত্ৰত উদ্ধাৰকাৰী দলসমূহ অসুবিধাৰ সন্মুখীন হৈছে। এই ঘটনাত সন্ধানহীন লোকসকলৰ ভিতৰত ৫৮৩ গৰাকী বিদেশী লোক বুলি প্ৰকাশ কৰা হৈছে। সুৰক্ষা বাহিনী আৰু নেপালৰ সেনা বাহিনীয়ে যুটীয়াভাৱে হেলিকপ্টাৰ আৰু পথেৰে গৈ চলোৱা অভিযানত ১১ হাজাৰ ৯৯৩ জন লোকক উদ্ধাৰ কৰা হৈছে। এই অভিযানৰ বাবে ২১ হাজাৰ ৩১৪ গৰাকী সুৰক্ষা বাহিনীৰ লোক নিয়োগ কৰা হৈছে। ইপিনে চীনত এই বানৰ ফলত হোৱা মৃত্যু হোৱা লোকৰ সংখ্যা ২১ লৈ বৃদ্ধি হৈছে আৰু ৫৪১ জন সন্ধানহীন হৈ আছে। কালি নিম্ন সদনত নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে কয়, যে এই সংকটৰ প্ৰভাৱ হ্ৰাস কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে উমৈহতীয়া দায়িত্ব গ্ৰহণ কৰিব লাগিব। এই ভয়াৱহ ধ্বংসযজ্ঞই হিমালয় অঞ্চলত প্ৰভাৱ বৃদ্ধি পোৱা জলবায়ুজনিত বিপদৰ এক স্পষ্ট সতৰ্কবাণী দিছে। এই ভয়ংকৰ দুৰ্যোগে জলবায়ু পৰিৱৰ্তনৰ ফলত হিমালয় অঞ্চলত বসবাস কৰা লোকসকলৰ সন্মুখত গভীৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি তেঁও কয় যে বিশেষজ্ঞসকলে উচ্চ হিমালয়ত হোৱা হিমস্খলনৰ এই ঘটনাক অঞ্চলটোৰ বৃহৎ দুৰ্যোগ হিচাপে চিহ্নিত কৰিছে।

০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰিছে। ১৯৬৬ চনৰ এছিয়ান গেম্‌ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ৰাজ্যত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

ইপিনে, অৰ্জুন বঁটাৰে সন্মানিত প্ৰথম অসমীয়া ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৪৩ সংখ্যক অভিৰুচি ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি পুৱা ৬ বাজি ১৫ মিনিটৰ পৰা সামুহিক দৌৰ অনুষ্ঠিত হয়। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুননেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই

সামুহিক দৌৰত অংশগ্ৰহণ কৰে। সামুহিক দৌৰত অংশগ্ৰহণ কৰি অভিনেতা যতীন বৰাই এইদৰে মনৰ ভাৱ ব্যক্ত কৰে।

**বাইট**

অৰ্জুন সন্মানেৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে আজি শিৱসাগৰৰ জয়সাগৰস্থিত বাসগৃহত উপস্থিত হৈ খেলুৱৈগৰাকীক সম্বৰ্ধনা জনায়। জন্মদিনৰ দিনটোতে শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে খেলুৱৈগৰাকীৰ পদচিহ্ন সংগ্ৰহ কৰে। ৰাজ্য চৰকাৰে জন্মদিন উপলক্ষে ভোগেশ্বৰ বৰুৱালৈ ১ লাখ টকাৰ চেক আগবঢ়ায়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী বৰুৱাই কয়, যে আমি সকলোৱে মিলি নতুন প্ৰজন্মক আগুৱাই নিব লাগিব।

গোৱালপাৰা জিলাত আজি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অভিৰুচি ক্ৰীড়া দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে পুৱা সামুহিক দৌৰ অনুষ্ঠিত হয়। বিয়লি হ'বলগীয়া অনুষ্ঠানত কেইবাগৰাকী ক্ৰীড়া সংগঠক আৰু প্ৰবীণ খেলুৱৈক সম্বৰ্ধনা জনোৱা হ'ব।

মঙলদৈতো অভিৰুচি ক্ৰীড়া দিৱস উপলক্ষে আজি সমূহীয়া দৌৰৰ আয়োজন কৰা হয়। মাউণ্ট এভাৰেষ্ট শৃংগ আৰোহণ কৰা প্ৰথমগৰাকী অসমীয়া মহিলা ৰূপামণি গড়ে এই দৌৰৰ নেতৃত্ব বহন কৰে।

অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত কাইলৈ পুৱা চাৰে ৯ বজাত আন্তঃ শিক্ষানুষ্ঠান পি টি আৰ নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একেটা স্থানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

000000

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ নৱম অধিৱেশনৰ দ্বিতীয় আৰু অন্তিমখন বৈঠক আজি অনুষ্ঠিত হৈছে। আজি নাগালেণ্ড সীমান্ত অঞ্চল প্ৰাধিকৰণ বিধেয়ক ২০২৬কে ধৰি কেইবাখনো বিধেয়ক গৃহীত হোৱাৰ সম্ভাৱনা আছে। উপ-মুখ্যমন্ত্ৰী ৱাই পেট্টনে আজি নাগালেণ্ডৰ সুৰক্ষিত এলেকা অনুমোদিত অঞ্চল সম্পৰ্কীয় প্ৰস্তাৱ সদনত উত্থাপন কৰিব। এই প্ৰস্তাৱৰ জৰিয়তে ৰাজ্যখনৰ সুৰক্ষিত এলেকা অনুমোদন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সংশোধনীৰ বাবে আবেদনৰ পথ প্ৰশস্ত কৰিব। সদনত আজি সামগ্ৰী আৰু সেৱা কৰ, জি এছ টি একাদশ সংশোধনী বিধেয়ক ২০২৬, জি এছ টি দ্বাদশ সংশোধনী বিধেয়ক ২০২৬, নগৰ পৰিকল্পনা সংশোধনী বিধেয়ক ২০২৬, ৰাজহুৱা সেৱা অধিকাৰ বিধেয়ক ২০২৬ আৰু পেৰা মেডিকেল পৰিষদ বাতিলকৰণ বিধেয়ক ২০২৬ বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

000000

গুৱাহাটীৰ সোণাপুৰ থানাৰ অন্তৰ্গত মৰকডোলাত আজি পুৱা আৰক্ষীৰ গুলীত দুজন গাড়ী চোৰ নিহত হয়। নিহত চোৰ দুজন কাছাৰৰ ছাইদুল আলম লস্কৰ আৰু মণিপুৰৰ বাবু সিং বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। পলায়নৰ চেষ্টা কৰাৰ সময়ত আৰক্ষীয়ে পিছ লৈ গুলীচালনা কৰাৰ ফলত চোৰ দুজনৰ থিতাতে মৃত্যু হয়। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা দুটা পিষ্টল, মোবাইল ফোন, গাড়ী আৰু চুৰি কাৰ্যত ব্যৱহৃত অন্যান্য সামগ্ৰী উদ্ধাৰ কৰে। অভিযানকাৰী আৰক্ষী বিষয়াই এই সন্দৰ্ভত এইদৰে কয়—

**বাইট (আৰক্ষী)**

000000

কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা মিছন VB G-RAMG-ৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ বাবে প্ৰাৰম্ভিকভাৱে ছহেজাৰ ২৬৬ কোটি ২৫ লাখ টকাত আৱণ্টন দিছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ে

আঁচনিখনৰ অধীনত প্ৰথম কিস্তি হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে দুহেজাৰ ২২ কোটি ৭৮ লাখ টকা মোকলাই দিছে। অসমৰ বাবে আবণ্টিত এহেজাৰ ৯২৯ কোটি ৭০ লাখ টকাৰ ভিতৰত প্ৰথম কিস্তি হিচাপে ৬৩০ কোটি ৯৬ লাখ টকা মোকলাই দিয়া হৈছে। ইয়াৰে ভিতৰত মজুৰী শিতানত ৩৫০ কোটি ৫৩ লাখ টকা, প্ৰশাসনিক ব্যয় শিতানত ৪৬ কোটি ৭৪ লাখ আৰু অন্যান্য শিতানত ২৩৩ কোটি ৬৯ লাখ টকা মোকলাই দিয়া হৈছে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ অহা দেওবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীলৈ আহিব। এই ভ্ৰমণ কালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ দেওবাৰে পুৱা চাৰে ১০ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ এটা অনুষ্ঠানত উপস্থিত থাকিব। সেইদিনাই বিয়লি ৩ বাজি ১৫ মিনিটত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এটা অনুষ্ঠানত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নিশা গুৱাহাটীত কটাব। তেওঁ সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত হ'বলগীয়া এটা অনুষ্ঠানত অংশ ল'ব।

০০০০০০

অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে কালি নতুন দিল্লীত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। সাক্ষাৎকালত তেওঁলোকে ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক বিষয় লৈ আলোচনা কৰে।

০০০০০০

ওদালগুৰি জিলাত ৰাষ্ট্ৰীয় স্বাস্থ্য শিশু স্বাস্থ্য কাৰ্যসূচীৰ অধীনত জন্মগতভাৱে হৃদৰোগ থকা ৪০ টি শিশুৰ চিকিৎসা কৰা হৈছে। চলিত বছৰৰ এপ্ৰিলৰ পৰা জুলাইলৈ পাঁচটি শিশুৰ হৃদৰোগৰ চিকিৎসা আৰু মিছন স্মাইলৰ অধীনত তিনিটি শিশুৰ ফটা ওঁঠ আৰু ফুটা তালুৰ অস্ত্ৰোপচাৰ কৰা হয়। দুটি শিশুৰ জন্মগতভাৱে থকা বেঁকা ভৰিৰ চিকিৎসা আৰু এটি শিশুৰ চকুৰ ছানি পৰা ৰোগৰ চিকিৎসা কৰা হয়। ২০২৫ চনৰ এপ্ৰিলৰ পৰা চলিত বছৰৰ মাৰ্চ পৰ্যন্ত ৪০ টি শিশুৰ জন্মগত হৃদ ৰোগৰ চিকিৎসা আৰু ৩২ টি শিশুৰ মিছন স্মাইলৰ অধীনত চিকিৎসা কৰা হয়। ইয়াৰ উপৰি স্নায়ুজনিত সমস্যা, জন্মগত বধিৰতা, বিকাশত বিলম্বকে ধৰি ৩৮টা সমস্যাৰ নিৰাময়ৰ বাবে চিকিৎসা সম্পন্ন হয়।

০০০০০০

কামৰূপ জিলাৰ বকোৰ গামেৰীমুৰা আৰক্ষী চকীত যোৱানিশা চিৰঞ্জীৱ চৌধুৰী নামৰ এজন জোৱানে চলোৱা নিৰ্বিচাৰ গুলীচালনাত দুজন সতীৰ্থ আৰক্ষী কৰ্মী নিহত হয় আৰু অন্য দুজন আহত হয়। নিহত আৰক্ষী কৰ্মী দুজন পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ইন্দ্ৰজিৎ বৰা আৰু কনিষ্টবল ফজৰুল আলী বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই।

০০০০০০

নগাঁও জিলাৰ ধিং বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক মোবাৰক আলী পাঠানৰ কালি এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। প্ৰয়াত পাঠান ২০০৬ চনত ধিং সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন বিধায়কগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**